# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-12-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

ৰাজ্য চৰকাৰৰ উদ্যোগত আজি শিক্ষা, ৰাজহ, উদ্যোগ আৰু বিত্ত বিভাগৰ জৰিয়তে সকলো জিলাতে **বিকাশৰ ১২ দিন** শীৰ্ষক উন্নয়ন কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ **বিকাশৰ ১২ দিন**ৰ কাৰ্যসূচী শুভাৰম্ভ কৰে।

এই কাৰ্যসূচীৰ অংশ হিচাপে ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত আজিৰেপৰা ২৬ হাজাৰ ৯৬৯ গৰাকী শিক্ষাৰ্থীলৈ আনন্দৰাম বৰুৱা বঁটা প্ৰদান আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। একেদৰে ডঃ বাণীকান্ত কাকতি বঁটা প্ৰদান আঁচনিৰ অধীনত দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত কৃৰ্তিত্ব অৰ্জন কৰা শিক্ষাৰ্থীক স্কুটী বিতৰণ কাৰ্যসূচীৰ আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। মুখ্যমন্ত্ৰীয়ে এই বঁটা প্ৰদানৰ শুভাৰম্ভ কৰাৰ পাছত পৰৱৰ্তী সময়ত প্ৰতিখন জিলাতে এই বঁটাসমূহ প্ৰদান কৰা হ'ব। আনহাতে, ডঃ বাণীকান্ত কাকতি বঁটা প্ৰদান কাৰ্যসূচীৰ অধীনত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ আৰু ৬০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰীক স্কুটী প্ৰদান কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। চলিত বছৰত মুঠ ৪৮ হাজাৰ ৬৭৩ গৰাকী ছাত্ৰ-ছাত্ৰীক শিক্ষা বিভাগে এই বঁটা প্ৰদান কৰিব। এই বঁটা প্ৰদান অনুষ্ঠানতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, যে যিসকলে উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ ৰাজ্যৰ বাহিৰৰ মহাবিদ্যালয়ৰ লগতে আন ক'চিং কৰিবলৈ গৈছে তেওঁলোকে এই বঁটা নাপাব। অসমৰ মহাবিদ্যালয়ত নামভৰ্তি কৰিলেহে এই বঁটাৰ বাবে বিবেচিত হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। আজিৰ অনুষ্ঠানতে কামৰূপ জিলাৰ ২ হাজাৰ ৭৩৫ খন আৰু কামৰূপ মহানগৰ জিলাত ২ হাজাৰ ৯০৭ খন স্কুটী বিতৰণ কৰা হয়।

একেটা অনুষ্ঠানতে ৰাজ্য চৰকাৰে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ জৰিয়তে দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়াললৈও সাহায্য প্ৰদান কৰা হয়। লগতে কৃষি, মীণ, পশুপালন আৰু পশুচিকিৎসা খণ্ডত ক্ষতিগ্ৰস্ত পৰিয়াললৈ সাহায্য তথা ৰাজ্যৰ মাইক্ৰ'ফাইনেন্সৰ ঋণীক No Dues Certificate প্ৰদান কৰা হয়।

একেটা কাৰ্যসূচীৰে অংশ হিচাপে যোৰহাট ষ্টেডিয়ামত আজি উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২ হাজাৰ ১১৮ গৰাকী ছাত্ৰীৰ ভিতৰত ১০ গৰাকীক মন্ত্ৰী অজন্তা নেওগে আনুষ্ঠানিকভাৱে স্কুটীৰ ছাবি প্ৰদান কৰে। জিলাখনত ৮ হাজাৰ ৫০৬ গৰাকী নৱম শ্ৰেণীত অধ্যয়নৰত শিক্ষাৰ্থীক চাইকেল প্ৰদান কৰা হ'ব।

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগৰ শেহতীয়া নিৰ্দেশনা অনুসৰি অহা বছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে গ্ৰহণ কৰি আজি চৰাইদেউ জিলা পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অন্তৰ্গত আঞ্চলিক পঞ্চায়তসমূহৰ ফটোবিহীন খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। এই সন্দৰ্ভত বিস্তৃতভাৱে অৱগত কৰোৱাৰ উদ্দেশ্যে আজি জিলা আয়ুক্ত ড০ নেহা যাদৱৰ অধ্যক্ষতাত লাকুৱা, সাপেখাটী, সোণাৰি আৰু মাহমৰা আঞ্চলিক পঞ্চায়তৰ সচিবসকলৰ লগতে জিলাখনৰ বিভিন্ন ৰাজনৈতিক দলৰ  প্ৰতিনিধিসকলৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। জনসাধাৰণে ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৱেবছাইট ermssec.assam.gov.in ত নিজৰ ভোটাৰ কাৰ্ডৰ এপিক নম্বৰৰ জৰিয়তে তেওঁলোকৰ নামসমূহ পৰীক্ষা কৰিব পাৰিব।

০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। অহা শনিবাৰ ১৪ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ **এয়াৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইচ ৰাইত** কমেণ্ট কৰিও মতামত আৰু প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ আলিপুৰ সংমণ্ডলৰ অধীনৰ অসম সীমান্তৰ ওচৰত পশ্চিমবংগৰ জুৰাই ৰে'ল ষ্টেচনত আজি কেইবাটাও কোচ-ৰাজবংশী সংগঠনে আহ্বান দিয়া অনিৰ্দিষ্টকালীন ৰে'ল অৱৰোধৰ ফলত ৰাজধানী এক্সপ্ৰেছকে ধৰি কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা পথ সলনি কৰিবলগীয়া হয়। এই অৱৰোধৰ বাবে আজি গুৱাহাটী আৰু নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা বন্দে ভাৰত এক্সপ্ৰেছ আৰু বঙাইগাঁও-নিউ জলপাইগুৰিৰ মাজত চলাচল কৰা এক্সপ্ৰেছকেইখনৰো যাত্ৰা বাতিল কৰিবলগীয়া হয়। উত্তৰ-পূব সীমান্ত ৰে'লৱেই জনোৱা মতে আজি পুৱা প্ৰায় ৬ বাজি ৪৫ মিনিটত জোৰাই ৰে'ল ষ্টেচনত কেইবাহাজাৰো লোক সমবেত হৈ ৰে'ল পথত অৱস্থান কৰিবলৈ লয় আৰু ফলত সেই পথছোৱাৰে ৰে'ল চলাচল বন্ধ হৈ পৰে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই ফকিৰাগ্ৰাম-গোলকগঞ্জ-নিউ কোচবিহাৰ বিকল্প পথেৰে উজনিমুৱা ব্ৰহ্মপুত্ৰ মেইল, উজনিমুৱা কামৰূপ এক্সপ্ৰেছ, ২০৫৪৩ নামনিমুৱা ৰাজধানী এক্সপ্ৰেছ, ১২৪২৩ নামনিমুৱা ৰাজধানী এক্সপ্ৰেছ, বিবেক এক্সপ্ৰেছ, কেপিটেল এক্সপ্ৰেছ, শিলচৰ-কইম্বাটুৰ এক্সপ্ৰেছ, ডিব্ৰুগড়-দেওঘৰ এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ চলাচল কৰোৱায়। এন এফ ৰে'লৱে কৰ্তৃপক্ষই জোৰাই ৰে'ল ষ্টেচনৰ সুৰক্ষাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি ইয়াৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই জনাইছে।

০০০০০

গুৱাহাটীৰ তক্ষীল মজুমদাৰে দিল্লীৰ ত্যাগৰাজ ষ্টেডিয়ামত অনুষ্ঠিত ৬৮ সংখ্যক ৰাষ্ট্ৰীয় স্কুল ক্ৰীড়াত ৰূপৰ পদক অৰ্জন কৰিছে। তক্ষীলে আজি ল'ৰাৰ ১৭ বছৰ অনুৰ্দ্ধৰ কুমিটেৰ ৫০ কিলোগ্ৰাম ওজন শাখাত এই কৃতিত্ব

অৰ্জন কৰে। সদৌ অসম কাৰাটে সন্থাৰ সভাপতি তথা বিধায়ক দিগন্ত কলিতা আৰু সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰীয়ে খেলুৰৈগৰাকীক অভিনন্দন জনাইছে।

ooooo

চিৰাং জিলাৰ অন্তৰ্গত আমলাইগুৰি আদৰ্শগাঁৱত আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে গাঁওখনত আজি কেইবাখনো উন্নয়নমূলক আঁচনিৰ আধাৰশিলা স্থাপন কৰা হয়। ছিদলী বিধানসভা সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্মাই গাঁওখনৰ ৰাষ্ট্ৰীয় পথ সংযোগী মূল দলংখনৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে বিধায়ক ব্ৰহ্মাই গাঁওখনে চৰকাৰী নিয়ম অনুসৰি সোনকালে পূৰ্ণতা লাভ কৰিব বুলি আশা ব্যক্ত কৰে। তেওঁ বিধায়ক হিচাপে আদৰ্শ গাঁওখনৰ উন্নয়নত সহায় কৰিব বুলিও মন্তব্য কৰে।

ooooo

সমাপ্ত